Civil Services (Main) Examination, 2026

KVMS–U–ASM

অসমীয়া

প্ৰশ্নকাকত—I

(সাহিত্য)

নির্ধাৰিত সময় : 3 ঘণ্টা	সর্বাধিক নম্বৰ : 250

প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নির্দেশনা

প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নির্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** (অসমীয়া লিপি) কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

ASSAMESE

PAPER–I

(LITERATURE)

Time Allowed : Three Hours	Maximum Marks : 250

QUESTION PAPER SPECIFIC INSTRUCTIONS

Please read each of the following instructions carefully before attempting questions

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

Optional Province · optionalprovince.com

SECTION—A

1. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টামান শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) অসমীয়া ভাষাৰ বিকাশৰ স্তৰকেইটাৰ পৰিচয় দি এটি টোকা লিখাঁ।

(b) অসমীয়া ভাষাৰ উপভাষাকেইটাৰ পৰিচয় দি টোকা যুগুত কৰাঁ।

(c) অসমীয়া ভাষাত আৰ্যভিন্ন ভাষাৰ উপাদান সম্পৰ্কে উদাহৰণসহ আলোচনা কৰাঁ।

(d) অসমীয়া গদ্যসাহিত্যলৈ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যৰ অৱদান সম্পৰ্কে চমুকৈ লিখাঁ।

(e) অসমীয়া ভাষাৰ বিশিষ্ট স্ৱৰবৰ্ণবোৰ নিৰ্ণয় কৰি আখৰৰ লগত মিল অমিল দেখুওৱাঁ।

2. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অসমীয়া ভাষাৰ শব্দমালাৰ উৎসবোৰ নিৰ্ণয় কৰি প্ৰবন্ধ যুগুত কৰাঁ। 20

(b) স্বাৰ্থিক প্ৰত্যয় বুলিলে কি বুজা ? অসমীয়া ভাষাৰ স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰৰ বিশেষত্ব দেখুৱাই টোকা প্ৰস্তুত কৰাঁ। 15

(c) মান্য অসমীয়া ভাষাৰ লগত কামৰূপী উপভাষাৰ ধ্বনিতাত্ত্বিক বিশেষত্বসমূহৰ এটি তুলনামূলক আলোচনা যুগুত কৰাঁ। 15

3. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) চমু টোকা লিখাঁ : 5×4=20

(i) সমীভৱন

(ii) ঘোষীভৱন

(iii) অনুনাসিকতা

(iv) স্ৱৰসঙ্গতি

(b) চমু টোকা লিখাঁ : 5×3=15

(i) প্ৰাচীন ভাৰতীয় আৰ্যভাষা

(ii) নিৰ্দ্দিষ্টতাবাচক প্ৰত্যয়

(iii) অসমীয়া ভাষাৰ ব্যঞ্জনবৰ্ণ

(c) চমু টোকা লিখাঁ : 5×3=15

(i) কানাই বৰশীবোৱা শিলালিপি

(ii) 'চৰ্যাপদ'ৰ ভাষাগত বৈশিষ্ট্য

(iii) মান্য ভাষা আৰু উপভাষাৰ মাজত পাৰ্থক্য

Optional Province · optionalprovince.com

4. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ দেখুওৱাঁ, লগতে প্ৰাচীন অসমীয়া আখৰৰ নিদৰ্শনযুক্ত শিলালিপি আৰু তাম্ৰলিপি কেইখনমানৰ নাম ক্ৰম অনুসৰি লিখাঁ। 20

(b) কৃৎপ্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয় বুলিলে কি বুজা? অসমীয়া ভাষাৰ কৃৎপ্ৰত্যয়বোৰ দেখুৱাই টোকা যুগুত কৰাঁ। 15

(c) অসমীয়া গদ্যৰ বিকাশত বুৰঞ্জী সাহিত্যৰ স্থান নিৰ্ণয় কৰি বুৰঞ্জীৰ গদ্যৰ প্ৰধান বৈশিষ্ট্যসমূহ লিখাঁ। 15

SECTION—B

5. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টামান শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) 'অসমীয়া সমালোচনা সাহিত্য' শীৰ্ষক এটি প্ৰবন্ধ লিখাঁ।

(b) ৰমণ্যাসবাদ সম্পৰ্কে এটি টোকা যুগুত কৰাঁ।

(c) চুটিগল্পৰ সংজ্ঞা নিৰ্ণয় কৰি ইয়াৰ বৈশিষ্ট্য উল্লেখ কৰাঁ।

(d) সাহিত্যৰ বিভিন্ন বিধবোৰৰ (genres) পৰিচয় দিয়াঁ।

(e) উপন্যাসৰ স্বৰূপ বিশ্লেষণ কৰি উপন্যাসৰ উপাদানসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱাঁ।

6. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'আধুনিকতাবাদ আৰু অসমীয়া সাহিত্য' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰাঁ। 20

(b) 'চৰ্যাপদ'সমূহত তৎকালীন অসমৰ সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, এই সম্পৰ্কে আলোচনা কৰাঁ। 15

(c) অংকীয়া নাট কি? শংকৰদেৱৰ অংকীয়া নাটৰ পৰিচয় দিয়াঁ। 15

7. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) আধুনিক অসমীয়া সাহিত্যৰ ভেটি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অৱদান সম্পৰ্কে পৰ্যালোচনা কৰাঁ। 20

(b) অসমীয়া ধেমেলীয়া বা প্ৰহসন নাট সম্পৰ্কে এটি বিৱৰণাত্মক টোকা প্ৰস্তুত কৰাঁ। 15

(c) সাম্প্ৰতিক অসমীয়া কবিতাৰ বিষয়বস্তুৰ নতুনত্ব সম্পৰ্কে নিদৰ্শনসহ আলোচনা কৰাঁ। 15

Optional Province · optionalprovince.com

8. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'ধ্ৰুৱবাদ (Classicism)' বুলিলে কি বুজা ? ধ্ৰুৱবাদৰ আধাৰত ধ্ৰুপদী সাহিত্যৰ গতি-প্ৰকৃতি নিৰ্ণয় কৰাঁ। 20

(b) 'ৰহস্যবাদ' কি ? নলিনীবালা দেৱীৰ কবিতাত ৰহস্যবাদী ভাবধাৰা কেনেদৰে প্ৰকাশিত হৈছে, বিশ্লেষণ কৰাঁ। 15

(c) মাধৱ কন্দলি অনূদিত 'ৰামায়ণ'ৰ বিশেষত্ব সম্পৰ্কে আলোচনা কৰাঁ। 15

★★★

Optional Province · optionalprovince.com